# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰে।

২। প্ৰধানমন্ত্ৰীয়ে কয় যে, অসমৰ ঐতিহাসিক মৈদামসমূহ ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

৩। সংসদৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব। অধিবেশনৰ প্ৰথম দিনা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ অৰ্থনৈতিক জৰীপ দাখিল কৰিব।

৪। বাংলাদেশৰ হিংসাত্মক পৰিস্থিতিৰ মাজতে বৰ্তমানলৈকে ৪ হাজাৰ ৫০০ৰো অধিক ভাৰতীয় শিক্ষাৰ্থী দেশলৈ ওভতি আহিছে।

*আৰু*

৫। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰে। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰত গোলকীয় সহযোগিতা প্ৰচাৰ তথা ঐতিহ্য সংৰক্ষণৰ প্ৰচেষ্টাত স্থানীয় সম্প্ৰদায়সমূহক জড়িত কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ। ভাৰতৰ ঐতিহ্য কেৱল এটা ইতিহাসেই নহয়, বৰং বিজ্ঞানো বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, বিগত বছৰসমূহত চৰকাৰে ৩৫০ৰো অধিক প্ৰাচীন ঐতিহ্যক্ষেত্ৰ পুনৰ উদ্ধাৰ কৰিছে। শ্ৰীমোদীয়ে উল্লেখ কৰে যে, এই প্ৰাচীন ঐতিহ্যক্ষেত্ৰসমূহ পুনৰ উদ্ধাৰ কৰাটোৱে গোলকীয় উদাৰতা আৰু ইতিহাসৰ প্ৰতি সন্মানকে প্ৰতিফলিত কৰে। তেওঁ কয় যে, বিশ্বৰ আটাইতকৈ পুৰণি সভ্যতাসমূহৰ অন্যতম ভাৰতত বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশন অনুষ্ঠিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতে ইউনেস্কোৰ বিশ্ব ঐতিহ্য কেন্দ্ৰলৈ ১০ লাখ ডলাৰৰ অনুদান আগবঢ়োৱাৰ কথাও ঘোষণা কৰে। তেওঁ কয় যে, এই অনুদান দক্ষতা নিৰ্মাণ, প্ৰযুক্তিগত সহযোগিতা তথা বিশ্ব ঐতিহ্য ক্ষেত্ৰসমূহৰ সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰা হ'ব। বিশেষকৈ গোলকীয় দক্ষিণৰ দেশসমূহৰ বাবে এই অনুদান ব্যৱহাৰ কৰা হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বিকাশ তথা ঐতিহ্য হৈছে ভাৰতৰ দৰ্শন। বিগত ১০ বছৰত ভাৰতে আধুনিক বিকাশৰ নতুন নতুন মাত্ৰা স্পৰ্শ কৰাৰ লগতে ইয়াৰ ঐতিহ্যসমূহ সংৰক্ষণৰ বাবে অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ

কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে। অসমৰ ঐতিহাসিক মৈদামসমূহ ইউনেস্কোৰ বিশ্ব ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, এয়া হ'ব দেশৰ ৪৩ সংখ্যক তথা উত্তৰ-পূব ভাৰতৰ প্ৰথমটো বিশ্ব ঐতিহ্য ক্ষেত্ৰ যাক সাংস্কৃতিক বিশ্ব ঐতিহ্যৰ আখ্যা দিয়া হ'ব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয় যে, এই অধিৱেশনে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় প্ৰতিনিধিসকলৰ সন্মুখত ভাৰতৰ বৰ্ণাঢ্য সংস্কৃতি, ঐতিহ্য আৰু ইয়াৰ বৈচিত্ৰ্যতাক প্ৰদৰ্শন কৰাৰ এটা সুযোগ প্ৰদান কৰিছে। তদুপৰি এই অধিৱেশনতে ভাৰতে নিজৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্যসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহো প্ৰদৰ্শন কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

সংসদৰ বাজেট অধিবেশন আজি আৰম্ভ হ'ব। ১২ আগষ্টত সমাপ্ত হ'বলগীয়া এই অধিৱেশনত ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। আমাৰ সংবাদদাতাই জনোৱা মতে, অধিবেশনৰ প্ৰথম দিনা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ অৰ্থনৈতিক জৰীপ দাখিল কৰিব। অৰ্থনৈতিক জৰীপে অৰ্থব্যৱস্থাৰ বিভিন্ন খণ্ডৰ পাৰিসাংখ্যিক তথ্য আৰু বিশ্লেষণ আগবঢ়ায়। ইয়াৰ জৰিয়তে কৰ্ম সংস্থাপন, মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ আৰু মুদ্ৰাস্ফীতিৰ তথ্যও লাভ কৰিব পৰা যায়। বিত্তমন্ত্ৰীগৰাকীয়ে কাইলৈ সদনত ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল। চৰকাৰে বাজেট অধিৱেশনত সংসদত ছখন নতুন বিধেয়ক দাখিল কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক,  বইলাৰ বিধেয়ক, ভাৰতীয় বায়ুযান বিধেয়ক, কফিৰ প্ৰসাৰ আৰু উন্নয়ন বিধেয়ক আৰু ৰবৰৰ প্ৰসাৰ আৰু উন্নয়ন বিধেয়ক আছে।

ইপিনে, সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কালি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত চৰকাৰে আসন্ন বাজেট অধিবেশনৰ সময়ছোৱাত সংসদৰ উভয় সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰে। বৈঠকৰ অন্তত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয় যে, চৰকাৰ মুকলি মনেৰে যিকোনো বিষয় সন্দৰ্ভত বিতৰ্কৰ বাবে সাজু হৈ আছে। সংসদৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াটো চৰকাৰ তথা বিৰোধী উভয় পক্ষৰে দায়িত্ব বুলি তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মূল্যবান পৰামৰ্শৰ বাবে দলসমূহৰ নেতাসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

বাংলাদেশৰ হিংসাত্মক পৰিস্থিতিৰ মাজতে বৰ্তমানলৈকে ৪ হাজাৰ ৫০০ৰো অধিক ভাৰতীয় শিক্ষাৰ্থী দেশলৈ ওভতি আহিছে।  বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ঢাকাত থকা ভাৰতৰ উচ্চায়ুক্তই ভাৰতীয় লোকসকলক সীমান্ত অঞ্চললৈকে নিৰাপদে যাত্ৰা কৰাৰ ব্যৱস্থা কৰিছে। মন্ত্ৰালয়ে লগতে উল্লেখ কৰিছে যে, নেপালৰ ৫০০ গৰাকী আৰু মালদ্বীপৰ এগৰাকী শিক্ষাৰ্থীও ভাৰতত উপস্থিত হৈছে।

বাংলাদেশত যোৱা কিছুদিন ধৰি সংৰক্ষণৰ বিৰোধীতাৰে হিংসাত্মক পৰিস্থিতি সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীসকল নিজৰ দেশলৈ উভতি আহিছে। উল্লেখযোগ্য যে, দেশখনত বহুসংখ্যক ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসা বিজ্ঞান অধ্যয়ন কৰি আছে।

00000

আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইদেনে ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা নিশা সামাজিক মাধ্যমযোগে এই কথা ঘোষণা কৰে। সামাজিক মাধ্যমযোগে তেওঁ লগতে কয় যে, ৰাষ্ট্ৰপতি হিচাপে দেশক বিগত সময়ছোৱাত সেৱা আগবঢ়াব পৰাটো তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ সন্মান। তেওঁ লগতে কয় যে, ডেম'ক্ৰেটিক পাৰ্টি আৰু জাতিৰ স্বাৰ্থত ৰাষ্ট্ৰপতি হিচাপে বাকী থকা কাৰ্যকালৰ কৰ্তব্যত মনোনিৱেশ কৰাটো তেওঁৰ বাবে এতিয়া মূল লক্ষ্য। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, তেওঁ চলিত সপ্তাহৰ শেষৰ ফালে দেশবাসীৰ সৈতে নিজৰ সিদ্ধান্তৰ বিষয়ে অধিক বিশদভাৱে কথা পাতিব। সমান্তৰালকৈ, ৰাষ্ট্ৰপতি বাইডেনে উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছক ৰাষ্ট্ৰপতি হিচাপে সমৰ্থন কৰাৰ কথাও সামাজিক মাধ্যমযোগে সদৰি কৰে।

উল্লেখযোগ্য যে, অহা নৱেম্বৰ মাহত আমেৰিকাত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব।

00000

কেৰালাত নিপা ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ-আইচিএমআৰৰ ছজনীয়া বিশেষজ্ঞ এটা দল কোজিকোডত উপস্থিত হৈছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কেৰালাৰ স্বাস্থ্য বিভাগক নিপা ভাইৰাছ সংক্ৰমণৰ সন্দৰ্ভত বিষয়টোৰ অধিক তদন্ত আৰু কাৰিকৰী সাহাৰ্য প্ৰদানৰ বাবে এটা বিশেষ দল নিয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে নিপা ভাইৰাছৰ সংক্ৰমণৰ ফলত ৰাজ্যখনত মৃত্যু হোৱা ১৪ বছৰীয়া কিশোৰগৰাকীৰ সংস্পৰ্শত থকাসকলৰ অতিৰিক্ত নমুনা পৰীক্ষাৰ বাবেও আইচিএমআৰে কোজিকোডলৈ এটা ভ্ৰাম্যমাণ বিএছএল-৩ পৰীক্ষাগাৰ প্ৰেৰণ কৰিছে। কেৰালাৰ স্বাস্থ্যমন্ত্ৰী বীনা জৰ্জে জনোৱা মতে এই ৰোগত মৃত্যু হোৱা কিশোৰগৰাকীৰ সংস্পৰ্শলৈ অহা সাতগৰাকী লোকৰ নমুনাৰ পৰীক্ষা ঋণাত্মক পোৱা গৈছে। বৰ্তমান ৬৮ গৰাকী স্বাস্থ্যকৰ্মীকে ধৰি ৩৩০ জন লোক সংস্পৰ্শৰ তালিকাত আছে আৰু ইয়াৰে ১০১ জন লোকৰ বিপদাশংকা অধিক বুলি চিহ্নিত কৰা হৈছে।

00000

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে কালি সংযুক্ত আৰব আমেৰিক ৭৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উই এ ই-এ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৩ ৰানহে কৰিবলৈ সক্ষম হয়। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈকে ৪ পইণ্ট লাভ কৰি শৃংখলাটোত আগবাঢ়ি আছে। প্ৰতিযোগিতাত ভাৰত কাইলৈ নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ৯ বজাত আয়কৰ আয়ুক্ত সৌম্য আচাৰ আৰু চাৰ্টাৰ একাউণ্টটেণ্ট সঞ্জীৱ নাৰায়ণৰ সৈতে **আয়কৰ পৰিশোধ কৰাৰ সহজ পদ্ধতি** সম্পৰ্কে এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **আয়কৰ পৰিশোধৰ বিভিন্ন দিশ** সম্পৰ্কে তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

**সমাপ্ত**